আন্তঃৰাষ্ট্ৰীয়

# ৰোহিংগীয়া গণহত্যাৰ বাবে ম্যানমাৰক দোষী সাব্যস্ত ICJৰ; ক্ষতিপূৰণ আৰু নিৰাপদ প্ৰত্যাৱৰ্তনৰ নিৰ্দেশ

২০১৭ চনৰ সামৰিক অভিযানত গণহত্যা সংঘটিত কৰাৰ দায়ত ম্যানমাৰক দায়ী সাব্যস্ত কৰি ক্ষতিপূৰণ, পুনৰুদ্ধাৰ আৰু নিৰাপদ প্ৰত্যাৱৰ্তনৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে আদালতে।

প্ৰকাশ: ২০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৯



A Rohingya man carries his mother after crossing from Myanmar into Bangladesh on September 16, 2017. (AP)

দ্য হেগ, ২০ নৱেম্বৰ: ৰোহিংগীয়া মুছলমানৰ বিৰুদ্ধে ২০১৭ চনত চলোৱা সামৰিক অভিযানৰ সময়ত গণহত্যা সংঘটিত কৰাৰ বাবে ম্যানমাৰক দায়ী সাব্যস্ত কৰিছে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ে। বৃহস্পতিবাৰে ৯-৬ ভোটৰ ব্যৱধানত আদালতে এই ৰায় দিয়ে।

আদালতৰ সভাপতি ইউজি ইৱাছাৱাই প্ৰায় তিনি ঘণ্টাজোৰা ৰায়দানত কয় যে, ২০১৭ চনৰ সামৰিক অভিযানৰ সময়ত ম্যানমাৰৰ নিৰাপত্তা বাহিনীয়ে ৰোহিংগীয়া জনগোষ্ঠীৰ বিৰুদ্ধে গণহত্যাৰ উদ্দেশ্যৰে কাৰ্যকলাপ চলাইছিল। ৰায়ত কমেও ১০ হাজাৰ ৰোহিংগীয়াৰ মৃত্যুৰ কথা উল্লেখ কৰা হৈছে।

নিৰাপত্তা বাহিনীৰ বিৰুদ্ধে সাধাৰণ নাগৰিকক হত্যা, ব্যাপক যৌন হিংসা আৰু শিশুৰ ওপৰত চৰম নিৰ্যাতন চলোৱাৰ অভিযোগো আদালতে বিবেচনা কৰে। সংখ্যালঘু জনগোষ্ঠীটোৰ এটা অংশ ধ্বংস কৰাৰ উদ্দেশ্যৰে

© 2026 NewzNow

ব্যাপক অত্যাচাৰ চলোৱাৰ প্ৰমাণ পোৱা গৈছে বুলি ৰায়ত কোৱা হৈছে।

২০১৭ চনৰ অভিযানৰ সময়ত ৭ লাখ ৩০ হাজাৰতকৈ অধিক ৰোহিংগীয়াই চুবুৰীয়া বাংলাদেশলৈ পলায়ন কৰিবলৈ বাধ্য হৈছিল। ম্যানমাৰে অৱশ্যে অভিযানটো আৰাকান ৰোহিংগীয়া ছালভেশ্যন আৰ্মীৰ যোদ্ধাসকলৰ বিৰুদ্ধে চলোৱা হৈছিল বুলি দাবী কৰিছিল।

আদালতে ম্যানমাৰক ভৱিষ্যতে এনে গণহত্যামূলক কাৰ্যকলাপ বন্ধ কৰিবলৈ আৰু ক্ষতিপূৰণ তথা পুনৰুদ্ধাৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। নিৰ্দেশনাসমূহৰ ভিতৰত ৰোহিংগীয়াসকলৰ নিৰাপদ আৰু স্বেচ্ছামূলক প্ৰত্যাৱৰ্তন, তেওঁলোকৰ সম্পত্তি পুনৰুদ্ধাৰ, সন্ধানহীন লোকৰ সন্ধান, উপযুক্ত অন্ত্যেষ্টিক্ৰিয়াৰ ব্যৱস্থা আৰু পুনৰ্বাসন অন্তৰ্ভুক্ত কৰা হৈছে।

গোচৰটো দাখিল কৰা পশ্চিম আফ্ৰিকাৰ দেশ গাম্বিয়াই এই ৰায়ক আন্তঃৰাষ্ট্ৰীয় ন্যায়ৰ এক ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰিছে। ব্ৰিটেইনৰ বৈদেশিক সচিব এড মিলিবেণ্ডে ম্যানমাৰৰ প্ৰতিৰক্ষা এটাশেক বহিষ্কাৰ কৰাৰ কথা ঘোষণা কৰাৰ লগতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠক আহ্বানৰ দাবী জনাইছে।

এম্নেষ্টী ইণ্টাৰনেশ্যনেলে ঘটনাসমূহৰ সম্পূৰ্ণ তদন্ত আৰু দোষীসকলৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ আহ্বান জনাইছে। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি, দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াত ১৩ লাখতকৈ অধিক ৰোহিংগীয়া স্থানচ্যুত হৈ আছে। ইয়াৰে প্ৰায় ১২ লাখে বাংলাদেশৰ কক্সবাজাৰত আশ্ৰয় লৈ আছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4651/mzanma-ohinggeeza-gnhtza-antashteez-nzazalz-az